৩ পৃষ্ঠাত

৪ পৃষ্ঠাত

১০ পৃষ্ঠাত

অসম আদিত্য

৯ ভাদ, ১৯৪৮ শক ■ বুধবাৰ, ১৬ ছেপ্টেম্বৰ, ২০২৬ ■ Asom Aditya, Dibrugarh, Wednesday, September 16, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটি

ৰাষ্ট্ৰীয় পৰ্যায়ত কৃতিত্ব

প্ৰতিবেদক, কালুগাঁও, ১৫ ছেপ্টেম্বৰ ঃ শিৱসাগৰ জিলাৰ নাজিৰা শিক্ষাখণ্ডৰ অগ্ৰণী শিক্ষানুষ্ঠান নামতি বালক ৮ পৃষ্ঠাত

প্ৰভাৱতী কোঁৱৰৰ সোঁৱৰণী প্ৰেক্ষাগৃহ মুকলি

প্ৰতিবেদক, গোলাঘাট, ১৫ ছেপ্টেম্বৰ ঃ ৪২ৰ বিপ্লৱৰ শ্বহীদ কুশল কোঁৱৰৰ পৰিবাৰ প্ৰভাৱতী কোঁৱৰৰ সোঁৱৰণত ৮ পৃষ্ঠাত

সমাজকৰ্মী কুদৰত আলিৰ পৰলোক

প্ৰতিবেদক, মৰঙি, ১৫ ছেপ্টেম্বৰ ঃ মৰঙি মৌজাৰ কানাইঘাট নিবাসী তথা পংকা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সমাজকৰ্মী ৮ পৃষ্ঠাত

উচ্চ শিক্ষাত ৰাষ্ট্ৰসংঘ-ইউনেস্ক'ৰ লক্ষ্য কাৰ্যকৰীকৰণ সম্পৰ্কত মত-বিনিময়

ষ্টাফ ৰিপৰ্টাৰ, ১৫ ছেপ্টেম্বৰ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ উচ্চ শিক্ষা ব্যৱস্থাক বিশ্বমানৰ বহনক্ষম উন্নয়নৰ লক্ষ্য আৰু ৰাষ্ট্ৰসংঘৰ শৈক্ষিক নীতিৰ সৈতে সংগতিপূৰ্ণ কৰি আগুৱাই নিয়াৰ উদ্দেশ্যে আজি ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ উদ্যোগত দুই উচ্চ শিক্ষানুষ্ঠান ক্ৰমে— ঐতিহ্যপূৰ্ণ দিছপুৰ ৮ পৃষ্ঠাত

গুৱাহাটী, ১৫ ছেপ্টেম্বৰ ঃ কেন্দ্ৰীয় পিছপৰা শ্ৰেণীত অন্তৰ্ভুক্ত নোহোৱা অসমৰ অন্যান্য পিছপৰা শ্ৰেণীৰ ৭ জাতি-উপজাতিয়ে এতিয়াৰ পৰা লাভ কৰিব ৰাজ্যিক নন্ ক্ৰীমি লেয়াৰ প্ৰমাণ পত্ৰ। চৰকাৰক অসম ৯ পৃষ্ঠাত

অপিএছৰ দাবীত অটল অসম হাইস্কুল শিক্ষক সংস্থা

বিশেষ প্ৰতিবেদক, তিনিচুকীয়া, ১৫ ছেপ্টেম্বৰ ঃ ২০০৫ চনৰ আগৰ নিযুক্তিপ্ৰাপ্ত বিশেষকৈ ২০১৩ চনত প্ৰাদেশিকীকৰণ হোৱা শিক্ষানুষ্ঠানৰ শিক্ষক-কৰ্মচাৰীক পুৰণি পেঞ্চন আঁচনি অপিএছৰ অধীনলৈ ৮ পৃষ্ঠাত

লখিমপুৰত ৩৫২ টা আধুনিক, থলুৱা জাতৰ ধান সংৰক্ষণ

প্ৰতিবেদক, লখিমপুৰ, ১৫ ছেপ্টেম্বৰ ঃ লখিমপুৰৰ মাণ্ডলিক কৃষি গৱেষণা কেন্দ্ৰৰ চৌহদত এতিয়া কৃষি গৱেষণা কেন্দ্ৰটোৱে ৭৫ বিঘা ভূমিত ৯ পৃষ্ঠাত

ষ্টাফ ৰিপৰ্টাৰ, শি
প্ৰায় দুটা মাহত ভ
বান বিভীষিকাই
আৰু শিৱসাগৰ বি
ৰাইজৰ দৈনন্দিন
পৰা নাই। পোৱা

১২০
ৰঙালাও
বছৰি ৩
টকা উপ
নলবাৰীৰ

বিশেষ প্ৰতিবেদক
ছেপ্টেম্বৰ ঃ চৰকা
নুঘুৰি কৃষিকে জীৱ
লৈ সফলতাৰ নিদ
নলবাৰীৰ ১০ জন
জিলাখনৰ ধনতো
কহুৱা ৰিজৰ্টৰ বা
কলিতা, বাতুল

প্ৰতিটো
সময়
আঁচ
ৰাত
বেদক, যোৰহা
ত দুদিনীয়া
ক অধিক স
ভা

৩ পৃষ্ঠাত ... ৪ পৃষ্ঠাত

অসম আদিত্য

দ, ১৯৪৮ শক ■ বুধবাৰ, ১৬ ছেপ্টেম্বৰ, ২০২৬ ■ Asom Aditya, Dibrugarh, Wednesday, September 16, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহ

ৰক্ষা আৰ্থিক মেৰুদণ্ড কেনেকৈ পোন কৰিব পাৰে তাক লৈ চিন্তিত হৈ পৰিছে।

অপৰাধীক আশ্ৰয় দিয়া

াগৰ জেঙনিকটীয়া অঞ্চলৰ মছজিদ পৰিচালনা সমিতি আৰু যুৱ সমাজে প্ৰজন্মক ধ্বংসৰ মুখলৈ ঠেলি দিয়া মাৰাত্মক ব্যাধি ড্ৰাগছ নিৰ্মূলৰ বাবে সাগৰৰ জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ সহযোগিতা কামনা কৰি খিত আবেদন দাখিল কৰে। শিৱসাগৰৰ জিলা আয়ুক্ত মৃদুল যাদৱ আৰু ্যষ্ঠ আৰক্ষী অধীক্ষক পাপৰি চেতিয়াই এই পদক্ষেপৰ প্ৰতি সঁহাৰি জনাই ীয় ৰাইজে গ্ৰহণ কৰা উদ্যোগক সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান ৰে। ইয়াৰ পিছতেই আজি বিয়লি জেঙনিকটীয়া ৫০২ নং বালিকা প্ৰাথমিক বিদ্যালয়ত জেঙনিকটীয়া মছজিদ পৰিচালনা সমিতি আৰু যুৱ সমাজ আৰু আৰক্ষী প্ৰশাসনৰ এখন যুটীয়া সজাগতামূলক সভা অনুষ্ঠিত হয়। শিৱসাগৰ জেঙনিকটীয়া জুম্মা মছজিদ পৰিচালনা সমিতিৰ সভাপতি জাহিদ উল্লাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই সজাগতা সভাত শিৱসাগৰ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ময়িদুল ইছলামে কয় যে, মাৰাত্মক ব্যাধি ড্ৰাগছৰ বিৰুদ্ধে শিৱসাগৰ আৰক্ষীয়ে কঠোৰ অভিযান অব্যাহত ৰাখিছে। অবৈধ ড্ৰাগছ ৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ লগতে কোটি টকাৰ মূল্যৰ মাৰাত্মক ড্ৰাগছ জব্দ ৰা হৈছে। জেঙনিকটীয়া অঞ্চলৰ ৰাইজ ড্ৰাগছৰ বিৰুদ্ধে নিজেই আগবাঢ়ি হাৰ বাবে আৰক্ষী প্ৰশাসনে ধন্যবাদ জনাইছে। আমি আমাৰ সমাজখন সুস্থ ৰু সবল কৰি ৰাখিবলৈ হ'লে ড্ৰাগছ, মদ, জুৱা, চুৰি, ডকাইতি নিৰ্মূল কৰিব াগিব। শিৱসাগৰৰ প্ৰতিঘৰ ভাৰাতীয়াই অতি সোনকালেই শিৱসাগৰ সদৰ াৰক্ষী থানাৰ পৰা ভাৰাতীয়াৰ নাম-ঠিকনা সন্নিৱিষ্ট কৰা প্ৰ-পত্ৰ সংগ্ৰহ কৰি এই সমূহ পূৰণ কৰি নিকটৱৰ্তী আৰক্ষী থানাত জমা দিব লাগিব। আৰক্ষী প্ৰশাসনৰ নিৰ্দেশক গুৰুত্ব নিদিয়াকৈ থকা ভাৰাঘৰৰ মালিকসকলৰ ভাৰাতীয়াই যদি কিবা াধমূলক কাৰ্য সংঘটিত কৰে, তেতিয়া অপৰাধীক ৰক্ষণাবেক্ষণ দিয়াৰ বাবে ঘৰৰ মালিকসকলক জগৰীয়া কৰি আৰক্ষীয়ে বিহীত ব্যৱস্থা গ্ৰহণ কৰিব বুলি দুল ইছলামে মন্তব্য কৰে। এই সজাগতা সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ ৰি উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মনিৰুল ইছলাম বড়াই কয় যে, শিৱসাগৰ জিলা প্ৰশাসন আৰু আৰক্ষীৰ সহযোগত জেঙনিকটীয়াৰ ইউথ গ্ৰুপে প্ৰগতি চিকিৎসালয়ৰ কাষৰ পৰা কিছুদিনৰ পূৰ্বে ড্ৰাগছ সৰবৰাহকাৰীয়ে আশ্ৰয় লোৱা এখন দোকান উচ্ছেদ কৰিছিল। কিন্তু তাৰ পিছতো জেঙনিকটীয়া, থাইআলি, পকাঘাটকে ধৰি মুছলমান বসতিপ্ৰধান অঞ্চলত ড্ৰাগছৰ লগতে চুৰি-ডকাইতিৰ দৰে ঘটনা সংঘটিত হৈ আছিছে। উজনি অসম মুছলিম কল্যাণ পৰিষদে বাতৰি কাকত আৰু বৈদ্যুতিন মাধ্যমৰ জৰিয়তে বাৰম্বাৰ ভাৰাঘৰৰ মালিকসকলক ভাৰাতীয়াৰ নাম-ঠিকনাসহ এখন তালিকা শিৱসাগৰ আৰক্ষী থানাত জমা দিব দিবলৈ অনুৰোধ কৰাৰ পিছতো ভাৰাঘৰৰ মালিকসকলে গুৰুত্ব দিয়া নাই। সেয়েহে জেঙনিকটীয়া অঞ্চলৰ পৰাই আৰক্ষী বিষয়াই স্থানীয় ৰাইজৰ সহযোগত প্ৰতিঘৰ ভাৰাতীয়াৰ বিৰুদ্ধে অভিযান চলোৱা উচিত। এই অভিযানত সন্দেহজনক ব্যক্তিক চিনাক্ত কৰি কঠোৰ ব্যৱস্থা আৰক্ষীয়ে গ্ৰহণ কৰাৰ প্ৰয়োজন। তাৰোপৰি, শিৱসাগৰ জিলা আয়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষকে শিৱসাগৰ জিলাৰ মছজিদ সমন্বয়ৰক্ষী সমিতিৰ সৈতে অতি সোনকালেই আলোচনা কৰি শিৱসাগৰ জিলাৰ প্ৰতিটো মছজিদ সমিতিৰ অধীনত থকা ভাৰাঘৰৰ মালিকসকলক বিশেষ নিৰ্দেশনা জাৰি কৰি নিকটৱৰ্তী আৰক্ষী থানাৰ পৰা ভাৰাতীয়াৰ নাম-ঠিকনাৰ প্ৰ-পত্ৰ সংগ্ৰহ কৰি তৎকালীনভাৱে জমা দিয়াৰ ব্যৱস্থা কৰিবলৈ মনিৰুল ইছলাম বড়াই শিৱসাগৰ

উচ্চ শিক্ষাত ৰাষ্ট্ৰসংঘ

মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু ইউনিভাৰ্চিটি অৱ ছায়েঞ্চ এণ্ড টেকন'লজি মেঘালয়ৰ আচাৰ্যৰ স'তে এক গুৰুত্বপূৰ্ণ মত-বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। বৈঠকত ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ পেনেলিষ্ট তথা মণ্ডল-১ৰ সমন্বয়ক, অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰী বন্ধন উপ-সমিতিৰ আহ্বায়ক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ঐতিহাসিক ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষৰ লগতে ১৫ টাতকৈও অধিক সংগঠনৰ সভাপতি, সম্পাদকৰ দায়িত্বত থকা কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়া আৰু ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ সঞ্চালক ড° অশ্বিনী কুমাৰ শৰ্মাই অংশগ্ৰহণ কৰে। দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰা আৰু ইউনিভাৰ্চিটি অৱ ছায়েঞ্চ এণ্ড টেকন'লজি মেঘালয়ৰ আচাৰ্য মেহবুবুল হকৰ সৈতে উচ্চ শিক্ষাৰ বিভিন্ন দিশ আৰু ৰাষ্ট্ৰসংঘ ইউনেস্ক'ৰ কাম- কাজ ৰূপায়ণ কৰাৰ সন্দৰ্ভত বিস্তৃত মত-বিনিময় কৰে। আলোচনাত ড° শশীকান্ত শইকীয়াই ৰাষ্ট্ৰসংঘ আৰু ইউনেস্ক'ৰ উদ্দেশ্য, লক্ষ্য তথা শিক্ষাৰ ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে বিস্তৃতভাৱে বক্তব্য আগবঢ়ায়। বিশেষকৈ উচ্চ শিক্ষানুষ্ঠানসমূহৰ পাঠ্যক্ৰম, গৱেষণা আৰু সামাজিক দায়বদ্ধতাৰ সৈতে ৰাষ্ট্ৰসংঘৰ বহনক্ষম উন্নয়নৰ লক্ষ্যসমূহ সংযুক্ত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। বৈঠকত শিক্ষানুষ্ঠানসমূহত সমতাভিত্তিক আৰু অন্তৰ্ভুক্তিমূলক শিক্ষা নিশ্চিত কৰা, বিজ্ঞান-প্ৰযুক্তিৰ বিকাশত অধিক গুৰুত্ব দিয়া, লগতে উত্তৰ-পূৰ্বাঞ্চলৰ সমৃদ্ধ ঐতিহ্য আৰু সাংস্কৃতিক সম্পদ সংৰক্ষণৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ নিৰ্দেশনা আৰু ধাৰণাসমূহ তৃণমূল পৰ্যায়লৈ লৈ যোৱাৰ বিষয়েও আলোচনা কৰা হয়। মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহৰ মাজত যৌথ গৱেষণা, সজাগতামূলক কৰ্মশালা, শৈক্ষিক বিনিময় কাৰ্যসূচী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিশ্বমুখী চিন্তা-চৰ্চাৰ পৰিৱেশ গঢ়ি তোলাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। আধুনিক শিক্ষা ব্যৱস্থাক কেৱল আনুষ্ঠানিক ডিগ্ৰী প্ৰদানৰ মাজতে সীমাবদ্ধ নাৰাখি শিক্ষাৰ্থীসকলৰ মাজত গোলকীয় নাগৰিকত্ববোধ, সামাজিক দায়বদ্ধতা আৰু পৰিৱেশ সচেতনতা গঢ়ি তোলাৰ প্ৰয়োজনীয়তাৰ বিষয়েও বিস্তৃত আলোচনা হয়। বৈঠকত অংশগ্ৰহণকাৰীসকলে মত প্ৰকাশ কৰে যে, উত্তৰ-পূৰ্বাঞ্চলৰ বিপুল প্ৰাকৃতিক, সাংস্কৃতিক আৰু বৌদ্ধিক সম্পদৰ সঠিক আৰু বহনক্ষম ব্যৱহাৰৰ বাবে ৰাষ্ট্ৰসংঘৰ সম্পদ কেন্দ্ৰসমূহৰ সৈতে অঞ্চলটোৰ উচ্চ শিক্ষানুষ্ঠানসমূহৰ এক নিবিড় সম্পৰ্ক গঢ়ি তোলাটো অতি জৰুৰী। এনে পদক্ষেপে উত্তৰ-পূৰ্বাঞ্চলৰ শিক্ষা ব্যৱস্থাক নতুন গতি প্ৰদান কৰাৰ লগতে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো অঞ্চলটোক এক গুৰুত্বপূৰ্ণ শৈক্ষিক সমন্বয়ক হিচাপে প্ৰতিষ্ঠা কৰাত সহায় কৰিব বুলি অংশগ্ৰহণকাৰীসকলে আশা প্ৰকাশ কৰে। অনুষ্ঠানত ইউনিভাৰ্চিটি অৱ ছায়েঞ্চ এণ্ড টেকন'লজি মেঘালয়ৰ আচাৰ্যৰ পৰামৰ্শদাতা ৰবীন কুমাৰ শৰ্মাৰ লগতে ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে। উল্লেখ্য যে, অনুষ্ঠানৰ অংশ হিচাপে দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাকে ধৰি ৰাষ্ট্ৰসংঘৰ আজীৱন সদস্য পদত নতুনকৈ অন্তৰ্ভুক্ত হোৱা ৯ গৰাকী অধ্যাপক-অধ্যাপিকাক পৰিচয়-পত্ৰ প্ৰদান কৰা হয়। ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ পেনেলিষ্ট তথা মণ্ডল-১ৰ সমন্বয়ক ড° শশীকান্ত শইকীয়া আৰু ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ সঞ্চালক ড° অশ্বিনী কুমাৰ শৰ্মাই এই পৰিচয় পত্ৰসমূহ প্ৰদান কৰে। দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰা আৰু ইউনিভাৰ্চিটি অৱ ছায়েঞ্চ এণ্ড টেকন'লজি মেঘালয়ৰ আচাৰ্য মেহবুবুল হকে ড° শশীকান্ত শইকীয়া আৰু ড° অশ্বিনী কুমাৰ শৰ্মাক ফুলাম গামোচা আৰু অন্যান্য উপহাৰেৰে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে, এই বৈঠকতে অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক ড° শশীকান্ত শইকীয়াই দুয়োখন উচ্চশিক্ষানুষ্ঠানত অসম সাহিত্য সভাৰ শাখা মুকলি কৰাৰ সন্দৰ্ভত উচ্চ শিক্ষানুষ্ঠান দুখনৰ অধ্যক্ষ আৰু আচাৰ্যৰ স'তে আলোচনা কৰে।

ছে বাংলাদেশৰ আন্তঃ

নাৰ ঘনিষ্ঠ ৭ নে
াত আৱামী লী

২০২৪ চনৰ প্ৰবল গণ আন্দোলন ৰ পতনৰ পিছত বাংলাদেশৰ ব্যাহত আছে উত্তেজনা। মানৱতা ৰত পূৰ্বৰ শাসকীয় পক্ষৰ ওপৰত

কঠোৰ অপৰাধ প্ৰধানম ট্ৰিবুনে

অন্তত বেইজিঙ

ড্ৰগনৰ